# 2022

## ASSAMESE

## ( Skill Enhancement Course )

Paper : ASM–SE–3014

*Full Marks* : 50

*Time* : 2 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা (যি কোনো চাৰিটা) : ১×৪=৪

(ক) আহিঁ পাঠত দুটা পৃথক শব্দ লগ লগাবলৈ কি চিহ্ন ব্যৱহাৰ কৰা হয়?

(খ) ইংৰাজী 'Manuscript' শব্দটোৰ অসমীয়া প্ৰতিশব্দ কি?

(গ) কোন শ্ৰেণী বিজ্ঞাপনৰ ভাষা অতি সৰল আৰু অলংকাৰবিহীন?

(ঘ) 'ভাৰতীয় বিজ্ঞাপন মানদণ্ড নিয়ন্ত্ৰণ পৰিষদ' কিমান চনত গঠন কৰা হৈছিল?

(ঙ) পৃথক পৃথক ভাষাৰ মাজত হোৱা অনুবাদ কৰ্মক কি অনুবাদ কৰ্ম বোলা হয়?

(চ) অসমীয়া ভাষাত প্ৰথম প্ৰকাশিত সংবাদপত্ৰখনৰ নামটো লিখা।

(ছ) কোনখন অসমীয়া চলচ্চিত্ৰত জ্যোতিপ্ৰসাদ আগৰৱালাই লক্ষ্মীনাথ বেজবৰুৱাৰ নাটকৰ পৰা কাহিনী লৈছে?

(জ) পুৰাণ সাহিত্যৰ আধাৰত নিৰ্মাণ হোৱা প্ৰথমখন ভাৰতীয় চলচ্চিত্ৰৰ নামটো লিখা।

২। চমু উত্তৰ লিখা (যি কোনো তিনিটা) : ২×৩=৬

(ক) "ইয়াৰ দ্বাৰা সমূহ ছাত্ৰ-ছাত্ৰীবৃন্দক জনোৱা হ'ল।" বাক্যটো শুদ্ধকৈ লিখা আৰু ভুলৰ কাৰণটো লিখা।

(খ) বিজ্ঞাপন প্ৰচাৰত বিশেষ ভূমিকা লোৱা যি কোনো দুটা প্ৰযুক্তিগত মাধ্যমৰ নাম লিখা।

(গ) উদ্দেশ্য অনুসাৰে বিজ্ঞাপনক মূলতঃ কি কি দুটা শ্ৰেণীত বিভক্ত কৰা হয়?

(ঘ) 'বাইবেল' পুথি কোনে, কেতিয়া অসমীয়া ভাষালৈ প্ৰথম অনুবাদ কৰিছিল?

(ঙ) বৰ্তমান সময়ত সংবাদ প্ৰকাশৰ যি কোনো দুটা মাধ্যমৰ নাম লিখা।

(চ) লক্ষ্মীনন্দন বৰা আৰু হোমেন বৰগোহাঞিৰ উপন্যাসৰ আধাৰত একে নামেৰে নিৰ্মাণ হোৱা দুখন চলচ্চিত্ৰৰ নাম লিখা।





৩। চমু টোকা লিখা (যি কোনো দুটা) : ৫×২=১০

(ক) আৰ্হি পাঠ আৰু অভিধানৰ সম্পৰ্ক

(খ) বিজ্ঞাপনৰ ভাষা

(গ) অনুবাদৰ ইতিহাস

(ঘ) চিত্ৰনাট্যৰ কাহিনী

(ঙ) চলচ্চিত্ৰ আৰু সত্যজিৎ ৰায়

(চ) অসমীয়া চলচ্চিত্ৰৰ ইতিহাসত জ্যোতিপ্ৰসাদ আগৰৱালাৰ অৱদান

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো তিনিটা) : ১০×৩=৩০

(ক) আৰ্হি পাঠ বুলিলে কি বুজা? অসমীয়া আৰ্হি পাঠ কৰা ব্যক্তি এজন কোন কোন ক্ষেত্ৰত সচেতন হ'ব লাগে, আলোচনা কৰা।

(খ) অসমীয়া আখৰ-জোঁটনিৰ বেমেজালিৰ কাৰণ আৰু ইয়াৰ প্ৰতিকাৰৰ উপায় সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(গ) বিজ্ঞাপন বুলিলে কি বুজা? বিজ্ঞাপনৰ সুফল আৰু কুফল সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(ঘ) অসমীয়া ভাষালৈ অনূদিত হোৱা যি কোনো পাঁচখন গ্ৰন্থৰ পৰিচয় দিয়া। এই প্ৰসঙ্গত মূল লেখক আৰু অনুবাদকৰ পৰিচয় দিয়াৰ লগতে গ্ৰন্থকেইখনৰ বিষয়বস্তুৰ একোটিকৈ চমু আলোচনা আগবঢ়োৱা।

(ঙ) সংবাদ ক্ষেত্ৰত অনুবাদৰ গুৰুত্ব সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(চ) সাক্ষাৎকাৰ বুলিলে কি বুজা? মহাবিদ্যালয় আৰু নিজৰ নাম উল্লেখ নকৰাকৈ প্ৰতিষ্ঠিত এগৰাকী কবি অথবা চলচ্চিত্ৰ নিৰ্মাতাৰ সৈতে হ'বলগীয়া এটি সাক্ষাৎকাৰৰ বাবে এখন প্ৰশ্ন-তালিকা যুগুত কৰা।

(ছ) আৰম্ভণিৰে পৰা বৰ্তমানলৈ অসমীয়া সাহিত্যৰ চিত্ৰায়নৰ বাবে নিৰ্মিত চিত্ৰনাট্যৰ এটি আলোচনা আগবঢ়োৱা।

(জ) কেইটিমান কাল্পনিক চৰিত্ৰৰ সহায়ত এটা পৰিয়ালৰ মাজৰ সংঘাত আৰু শেষত তাৰ মিলনাত্মক পৰিণতি দেখুৱাই এখন চিত্ৰনাট্য প্ৰস্তুত কৰা।

★★★